**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 14-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্যিক আলোচনা সঠিক দিশত আগবাঢ়িছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে প্ৰকাশ কৰিছে।

২। দিল্লী ঘোষণা পত্ৰ গ্ৰহণেৰে কালি বিমষ্টেক গৃহমন্ত্ৰীসকলৰ প্ৰথমখন বৈঠকৰ সামৰণি পৰে।

৩। সংস্কৃতি মন্ত্ৰালয়ে নতুন দিল্লীত আজিৰে পৰা বিশ্বৰ বিভিন্ন প্ৰান্তৰ সৈতে ভাৰতৰ সাংস্কৃতিক সংযোগ সন্দৰ্ভত বৃহত্তৰ ভাৰত ঃ আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে।

৪। বিহাৰৰ বৈশালী জিলাত গংগা নদীত যোৱা নিশা সংঘটিত এটা নাও দুৰ্ঘটনাত ১৩ জন লোকৰ মৃত্যু হয়।

*আৰু*

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব।

০০০০০

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্যিক আলোচনা সঠিক দিশত আগবাঢ়িছে আৰু এই সন্দৰ্ভত সম্প্ৰতি এটা চুক্তি সাজু কৰি থকা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত 'ব্লুমবাৰ্গ নিউ ইকনমি ফ'ৰাম' শীৰ্ষক অনুষ্ঠানত ভাষণ দি ড০ জয়শংকৰে কয় যে উভয় দেশৰ বাণিজ্য মন্ত্ৰীসকলে এই বিষয়ত কাম কৰি আছে আৰু দুয়োখন দেশ বাণিজ্য চুক্তিৰ বাবে আলোচনাৰ প্ৰক্ৰিয়াত ভালেখিনি আগবাঢ়িছে।

এটা প্ৰশ্নৰ উত্তৰত ড০ জয়শংকৰে জোৰ দি কয় যে আন্তঃৰাষ্ট্ৰীয় মঞ্চত আমেৰিকা যুক্তৰাষ্ট্ৰই নিজকে নতুন ধৰণে উপস্থাপন কৰিছে আৰু প্ৰতিখন দেশেই আমেৰিকাৰ সৈতে নিজৰ সম্পৰ্ক পুনৰ চালি-জাৰি চাব লাগিব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে ভাৰতৰ শক্তিশালী কৌশলগত সহযোগিতা আছে বুলিও তেওঁ উল্লেখ কৰে।

চীন সন্দৰ্ভত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীয়ে কয় যে সীমান্তৱৰ্তী অঞ্চলৰ শান্তি আৰু সুস্থিৰতা বিঘ্নিত হ'লে দ্বিপাক্ষিক সম্পৰ্কৰ অৱনতি ঘটিব। তেওঁ কয় যে সীমান্ত অঞ্চলসমূহত শান্তি ঘূৰি অহাৰ ফলত চীনৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক হোৱাৰ দিশে আগবাঢ়িছে। উভয় দেশে সীমান্তৱৰ্তী অঞ্চলসমূহত শান্তি আৰু সুস্থিৰতা ঘূৰাই আনিবলৈ সক্ষম হৈছে বুলি ড° জয়শংকৰে মন্তব্য কৰে।

**বাইট**

ৰাছিয়া সন্দৰ্ভত এটা প্ৰশ্নৰ উত্তৰত ড০ জয়শংকৰে কয় যে ভাৰতে কেতিয়াও ৰাছিয়াৰ পৰা চীনা প্ৰযুক্তিসম্পন্ন সামগ্ৰী ক্ৰয় কৰা সন্দৰ্ভত সমালোচনা নাইবা পৰামৰ্শৰ সন্মুখীন হোৱা নাই। ইউক্ৰেইনৰ সৈতে হোৱা যুদ্ধৰ বাবে ৰাছিয়াই বহু ক্ষেত্ৰত এছিয়াৰ দেশসমূহৰ সৈতে সুযোগৰ অন্বেষণ কৰিবলৈ আৰম্ভ কৰিছে বুলি তেওঁ মন্তব্য কৰে। ৰাছিয়াৰ হাতত একাধিক বিকল্প আছে আৰু এই ক্ষেত্ৰত ভাৰত এক স্বাভাৱিক বিকল্প বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

দিল্লী ঘোষণা পত্ৰ গ্ৰহণেৰে নতুন দিল্লীত কালি বিমষ্টেক গৃহমন্ত্ৰীসকলৰ প্ৰথমখন বৈঠকৰ সামৰণি পৰে। এই ঘোষণা পত্ৰত বিমষ্টেক ৰাষ্ট্ৰসমূহে সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদকে ধৰি সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদ আৰু উগ্ৰবাদক কঠোৰভাৱে গৰিহণা দিয়ে। ঘোষণা পত্ৰত বিমষ্টেক ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰসংঘৰ চনদ আৰু আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি সন্ত্ৰাসবাদ আৰু উগ্ৰবাদক স্থায়ীভাৱে প্ৰতিৰোধ, প্ৰতিহত আৰু নিৰ্মূল কৰাৰ বাবে নিজৰ সংকল্পৰ বিষয়ে পুনৰবাৰ দোহাৰে। তেওঁলোকে লগতে এখন সংযোজিত, নিৰাপদ, উন্নত আৰু সমৃদ্ধিশালী বিমষ্টেক খণ্ডৰ বাবে আঞ্চলিক সহযোগিতা শক্তিশালী কৰাৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও দোহাৰে। তেওঁলোকে লগতে সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হোৱা সদস্য ৰাষ্ট্ৰ তথা চৰকাৰসমূহৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰে। বিমষ্টেক ৰাষ্ট্ৰগোষ্ঠীয়ে উপযুক্ত ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় আইন অনুসৰি সন্ত্ৰাসবাদৰ বলি হোৱা ৰাষ্ট্ৰসমূহক ন্যায়ৰ কাষ চপাৰ বাবে আহ্বান জনায়।

দিল্লী ঘোষণা পত্ৰত লগতে মানৱ সৰবৰাহ, নিচাযুক্ত দ্ৰব্য আৰু প্ৰিকাৰ্চৰ কেমিকেলছ আৰু কলাধন বৈধকৰণ বিৰোধী চূড়ান্ত কাৰ্যকৰী পৰিকল্পনা ৰূপায়ণ তথা সন্ত্ৰাসবাদ আৰু উগ্ৰবাদৰ বিৰুদ্ধে উপ-গোটসমূহৰ সহযোগিতাৰ কাৰ্যপৰিকল্পনা চূড়ান্ত কৰাৰ বাবেও আহ্বান জনোৱা হয়।

০০০০০

সংস্কৃতি মন্ত্ৰালয়ে নতুন দিল্লীত আজিৰে পৰা বিশ্বৰ বিভিন্ন প্ৰান্তৰ সৈতে ভাৰতৰ সাংস্কৃতিক সংযোগ সন্দৰ্ভত বৃহত্তৰ ভাৰত ঃ আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰিছে। তিনিদিনীয়াকৈ আয়োজিত এই সন্মিলনত ৫০ খন দেশৰ প্ৰতিনিধি, ৰাষ্ট্ৰদূত আৰু পণ্ডিতসকলে বিশ্বৰ বিভিন্ন প্ৰান্তৰ সৈতে ভাৰতৰ ঐতিহাসিক আৰু সমসাময়িক সাংস্কৃতিক যোগাযোগৰ বিষয়ে আলোচনা কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ ভিডিঅ' বাৰ্তাৰ জৰিয়তে উপস্থিতসকলক সম্বোধন কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট উপস্থিত থাকিব। সন্মিলনত চীন, জাপান, মংগোলীয়া, নেপাল আৰু ইৰানকে ধৰি বিভিন্ন দেশৰ অংশগ্ৰহণকাৰীসকলে উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য আৰু সভ্যতাগত বিনিময় সন্দৰ্ভত আলোচনা কৰিব।

উল্লেখযোগ্য যে কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰক আধ্যাত্মিক পথ প্ৰদৰ্শক হিচাপে লৈ ১৯২৬ চনৰ ১৪ অক্টোবৰত কলকাতাত প্ৰতিষ্ঠা লাভ কৰা বৃহত্তৰ ভাৰত পৰিষদৰ শতবৰ্ষ উপলক্ষে এই সন্মিলনৰ আয়োজন কৰা হৈছে। সন্মিলনত এছিয়াৰ উমৈহতীয়া সাংস্কৃতিক ঐতিহ্য শীৰ্ষক এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে কালি নতুন দিল্লীত চেক গণৰাজ্যৰ উপ-প্ৰধানমন্ত্ৰী তথা উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী কাৰেল হাভলিচেকৰ সৈতে বৈঠকত মিলিত

হয়। সামাজিক এটা পোষ্টত শ্ৰীগোৱেলে কয় যে বৈঠকত তেওঁলোকে দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগ শক্তিশালী কৰাৰ লগতে যৌথ উৎপাদন আৰু ঔদ্যোগিক সহযোগিতা ত্বৰান্বিত কৰাৰ উপায়ৰ বিষয়ে আলোচনা কৰে। ৰে'লৱে, প্ৰতিৰক্ষা, উন্নত প্ৰযুক্তি আদি ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৈঠকত দুয়োপক্ষই ভাৰত আৰু ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰাৰ আৰু এই দিশত নতুন সুযোগৰ অন্বেষণ কৰাৰ ক্ষেত্ৰত দুয়োখন দেশৰ উদ্যোগসমূহৰ ঘনিষ্ঠ সহযোগিতাৰ ভূমিকাৰ বিষয়েও আলোচনা কৰে।

০০০০০

বিহাৰৰ বৈশালী জিলাৰ ৰঘুপুৰ ডিয়াৰাত গংগা নদীত যোৱা নিশা সংঘটিত এটা নাও দুৰ্ঘটনাত ১৩ জন লোকৰ মৃত্যু হয়। বৈশালী জিলাৰ দণ্ডাধীশ বৰ্ষা সিঙে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে এই নাও দুৰ্ঘটনাৰ পৰা ৬ জন লোকক উদ্ধাৰ কৰা হৈছে। নিহতসকলৰ ভিতৰত সৰহভাগেই নাবালক আছিল বুলি জিলা দণ্ডাধীশগৰাকীয়ে প্ৰকাশ কৰিছে। নাওখনত প্ৰায় ১৫ৰ পৰা ২০ জন লোক আছিল জানিব পৰা গৈছে।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা সকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বাৰ্তাযোগে এই নাও দুৰ্ঘটনাক অতি দুখজনক বুলি উল্লেখ কৰে। তেওঁ লগতে নিহতসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহতসকলৰ বাবে ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰে। বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰীয়েও দুৰ্ঘটনাত নিহতসকলৰ প্ৰতি সমবেদনা জনায়। তেওঁ লগতে নিহতসকলৰ নিকটাত্মীয়লৈ ৪ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰে।

০০০০০

শেহতীয়াভাৱে প্ৰকাশ পোৱা চৰকাৰী পৰিসংখ্যা অনুসৰি কংগোত ইব'লাত আক্ৰান্ত ৰোগীৰ সংখ্যাই ৯ হাজাৰ অতিক্ৰম কৰিছে আৰু চাৰি হাজাৰ তিনিশৰো অধিক লোকৰ মৃত্যু হৈছে। দেশখনৰ সাতখন প্ৰদেশত ইব'লাৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ স্বাস্থ্য মন্ত্ৰালয়ে প্ৰচেষ্টা অব্যাহত ৰাখিছে।

দেশখনত ক্ৰমাৎ বৃদ্ধি পোৱা মৃতকৰ সংখ্যাই স্বাস্থ্যকৰ্মী আৰু কৰ্তৃপক্ষক আতংকিত কৰি তুলিছে। স্বাস্থ্যকেন্দ্ৰ আৰু চিকিৎসালয়ৰ বাহিৰত সৰ্বাধিক লোকৰ মৃত্যুৰ বাতৰি আহিছে। শেহতীয়া প্ৰতিবেদনত ৮৮ জন লোক নতুনকৈ ইব'লাত আক্ৰান্ত হোৱাৰ তথ্য প্ৰকাশ কৰা হৈছে। "ইব'লাৰ সামূহিক সংক্ৰমণ এতিয়াও চিন্তাৰ বিষয় হৈয়ে আছে" বুলি প্ৰতিবেদনত সকীয়াই দিয়া হৈছে।

এই সংক্ৰমণ অধিক অঞ্চললৈ বিয়পি পৰিছে আৰু সাতখন প্ৰদেশৰ ৬৫টা স্বাস্থ্য মণ্ডল উদ্বেগৰ কাৰণ হিচাপে চিহ্নিত হৈছে বুলি দেশখনৰ স্বাস্থ্য মন্ত্ৰালয়ে জানিবলৈ দিছে।

মন্ত্ৰালয়ৰ বিষয়াসকলে জনোৱা অনুসৰি এই প্ৰাদুৰ্ভাৱৰত বিৰল বুণ্ডিবুগ্য' ভাইৰাছ জড়িত হৈ আছে আৰু ইয়াৰ কোনো অনুমোদিত প্ৰতিষেধক বা চিকিৎসা নাই।

কংগোত ইয়াৰ পূৰ্বেও ১৬ বাৰ ইব'লাৰ প্ৰাদুৰ্ভাৱ ঘটিছিল। উল্লেখযোগ্য যে ২০1৪-২০১৬ চনত পশ্চিম আফ্ৰিকাত ইব'লাৰ ফলত অভিলেখসংখ্যক ১১ হাজাৰ লোকৰ মৃত্যু হৈছিল। অৱশ্যে চলিত সংক্ৰমণৰ গতিয়ে পূৰ্বৰ এই সংখ্যাও পাৰ কৰিব পাৰে বুলি মন্ত্ৰালয়ৰ বিষয়াসকলে মন্তব্য কৰিছে।

যোৱা সপ্তাহত কেনিয়া কংগোৰ পৰা ইব’লা সংক্ৰমিত হোৱা দ্বিতীয়খন দেশৰূপে পৰিগণিত হয়। ইয়াৰ আগতে উগাণ্ডাৰ্লৈ এই ৰোগ বিয়পাৰ নিশ্চিত খবৰ পোৱা গৈছিল।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পে ছৌদি আৰৱৰ ওপৰত হোৱা আক্ৰমণৰ সন্দৰ্ভত য়েমেনৰ হুথী বিদ্ৰোহীসকলক সকীয়াই দি কৈছে যে তেওঁ য়েমেন সম্পৰ্কীয় প্ৰচেষ্টাত তুৰস্কৰ ৰাষ্ট্ৰপতি ৰেচেপ টাইব এৰদোগানৰ জড়িত কৰিব পাৰে। অৱশ্যে ট্ৰাম্পে হুথী বিদ্ৰোহীৰ বিৰুদ্ধে সামৰিক ব্যৱস্থা লোৱাৰ সিদ্ধান্ত লৈছে নে নাই, সেয়া প্ৰকাশ কৰাৰ বিৰত থাকে। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ইৰাণক এখন ব্যৰ্থ দেশ বুলি অভিহিত কৰি কয় যে ৱাশ্বিংটনে শীঘ্ৰে দেশখন সন্দৰ্ভত পৰৱৰ্তী পদক্ষেপৰ সিদ্ধান্ত ল’ব। ছৌদি আৰৱত হুথীয়ে ধাৰাবাহিকভাৱে আক্ৰমণ চলোৱাৰ পাছতে তেওঁ মন্তব্য কৰে। ইপিনে ৰিয়াধত কালি ধ্বংস কৰিবলৈ প্ৰয়াস কৰা কৰা দুটা ক্ৰুজ মিছাইলৰ অৱশেষে চাৰিজন লোকক আহত কৰাৰ লগতে ১৫টা আৱাসৰ ক্ষতিসাধন কৰে। ছৌদি আৰৱৰ শক্তি মন্ত্ৰালয়েও ধহৰানৰ ছৌদি আৰামকোৰ প্ৰশাসনিক ভৱনত আক্ৰমণ আৰু অগ্নিকাণ্ড সংঘটিত হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

ইফালে ইৰাণে ছৌদি আৰব আৰু হুথীৰ মাজত আলোচনাৰ সুবিধা প্ৰদান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে। দেশখনৰ বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ ইছমাইল বাঘাইয়ে সাম্প্ৰতিক সংঘাতৰ কূটনৈতিক সমাধানৰ আহ্বান জনাইছে।

০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত চলি থকা টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি হায়দৰাবাদত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ’ব।

ইন্দোৰত যোৱা দেওবাৰে অনুষ্ঠিত তৃতীয়খন খেলত আলহী দলটোক ১৪ ৰানৰ ব্যৱধানত পৰাস্ত কৰি ভাৰতে ইতিমধ্যে শৃংখলাত ২-১ৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

ভাৰতৰ তনভী শৰ্মা আৰু কিদাম্বী শ্ৰীকান্তে ডেনমাৰ্ক অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আৰম্ভণিৰ খেলত তনভীয়ে জাপানৰ নাটছুকি নিডাইৰাক ২-১ গেমত পৰাস্ত কৰে। দ্বিতীয় ৰাউণ্ডত তনভী জাৰ্মানীৰ য়ুনে লীৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। কিদাম্বী শ্ৰীকান্তে প্ৰথম ৰাউণ্ডত ফ্ৰান্সৰ আৰ্নোড মাৰ্কলেক ২-০ গেমত পৰাস্ত কৰে। ইপিনে দুবাৰকৈ অলিম্পিকৰ পদক বিজেতা পি ভি সিন্ধুৱে জাৰ্মানীৰ য়ুনে লীৰ হাতত পৰাস্ত হয়। লক্ষ্য সেনো প্ৰথম ৰাউণ্ডতে প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। প্ৰতিযোগিতাৰ ডাবলছত আজি ভাৰতে অভিযান আৰম্ভ কৰিব। পুৰুষৰ ডাবলছত সাত্বিক ছাইৰাজ ৰনকীৰেড্ডী আৰু চিৰাগ ছেট্টিৰ যুটী তথা মহিলাৰ ডাবলছত তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দ অৱতীৰ্ণ হ’ব।

০০০০০

সমাপ্ত